# 2024

## HISTORY

## ( Honours Elective )

Paper : HIS–HE–5026

**[ History of Assam (1228–1826) ]**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions : 1×10=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Name the account of Shihabuddin Talish.

চিহাবুদ্দিন তালিচৰ টোকাটোৰ নাম লিখা।

(b) Who composed the *Darrang Rajvamsavali*?

'দৰং ৰাজবংশাৱলী' কোনে ৰচনা কৰিছিল ?

*(c)* Who migrated from Mongmao and established a kingdom in Assam?

কোনে মংমাওৰ পৰা আহি অসমত ৰাজ্য প্ৰতিষ্ঠা কৰিছিল?

*(d)* By which name was Ahom ruler Sudangpha more popularly known as?

আহোম ৰজা চুডাংফা কি নামেৰে অধিক জনপ্ৰিয় আছিল?

*(e)* Who was Dhirnarayan?

ধীৰনাৰায়ণ কোন আছিল?

*(f)* Name the founder of the Koch Kingdom.

কোচ ৰাজ্যৰ প্ৰতিষ্ঠাতাৰ নাম লিখা।

*(g)* In which year did the famous Battle of Saraighat take place?

কোন চনত প্ৰখ্যাত শৰাইঘাটৰ ৰণ সংঘটিত হৈছিল?

*(h)* Name the 'Buranji' authored by Numali Borgohain.

নুমলি বৰগোহাঁয়ে লিখা 'বুৰঞ্জী' পুঁথিখনৰ নাম লিখা।





*(i)* Name the founder of Moamaria Satra.

মোৱামৰীয়া সত্ৰৰ প্ৰতিষ্ঠাপক কোন আছিল?

*(j)* Who was the Burmese General during the third Burmese invasion of Assam?

মানৰ তৃতীয় অসম আক্ৰমণৰ সময়ত মান সেনাপতি কোন আছিল?

**2.** Answer the following questions in brief : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা :

*(a)* Write the names of any two inscriptions of medieval Assam.

মধ্যযুগীয় অসমৰ যি কোনো দুখন লিপিৰ নাম লিখা।

*(b)* Name any two 'Buranji's.

যি কোনো দুখন 'বুৰঞ্জী'ৰ নাম লিখা।

*(c)* Which Ahom Swargadeo created the post of Barpatra Gohain? Who was the first Barpatra Gohain?

কোনজনা আহোম স্বৰ্গদেৱে 'বৰপাত্ৰ গোহাঁই' পদবীৰ সৃষ্টি কৰিছিল? প্ৰথমগৰাকী বৰপাত্ৰ গোহাঁই কোন আছিল?

(d) Write the names of two leaders of Moamaria Rebellion.

মোৱামৰীয়া বিদ্ৰোহৰ দুজন নেতাৰ নাম লিখা।

(e) Name any two famous monuments constructed by the Ahoms.

আহোমসকলৰ দ্বাৰা নিৰ্মিত যি কোনো দুটা কীৰ্তিচিহ্নৰ নাম লিখা।

**3.** Write short notes on any *four* of the following : 5×4=20

তলত দিয়াসমূহৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা :

(a) Archaeological sources for reconstruction of the history of medieval Assam

মধ্যযুগৰ অসমৰ ইতিহাস পুনৰ্গঠনৰ বাবে ব্যৱহৃত প্ৰত্নতাত্ত্বিক সমলসমূহ

(b) The Buranjis

বুৰঞ্জী

(c) Syu-Hum-Mong Dihingia Raja

চ্যু-হুং-মুং দিহিঙীয়া ৰজা





(d) Joymoti Konwari

জয়মতী কুঁৱৰী

(e) Captain Welsh's Account of Assam

কেপ্তেইন ৱেলচৰ অসমৰ ওপৰত লিখা টোকা

(f) Dondoa Droh

দন্দোৱা দ্ৰোহ

**4.** Answer any *four* of the following questions : 10×4=40

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) Examine the political condition of the Brahmaputra Valley on the eve of the foundation of the Ahom Kingdom in Assam.

অসমত আহোম ৰাজত্ব প্ৰতিষ্ঠাৰ প্ৰাক্-মুহূৰ্তত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনৈতিক অৱস্থাৰ পৰ্যালোচনা কৰা।

(b) Assess the role of Syu-Ka-Pha as the founder of the Ahom Kingdom in Assam.

অসমত আহোম ৰাজ্যৰ প্ৰতিষ্ঠাতা হিচাপে চ্যু-কা-ফাৰ ভূমিকা বিশ্লেষণ কৰা।

(c) Give an account of the Ahom-Mughal conflict during the reign of Pratap Singha.

প্ৰতাপ সিংহৰ ৰাজত্বকালত সংঘটিত আহোম-মোগল সংঘৰ্ষৰ এটি খতিয়ান দিয়া।

(d) Discuss the role of Maharaj Nara Narayana in the expansion of the Koch Kingdom.

কোচ ৰাজ্যৰ বিস্তাৰৰ ক্ষেত্ৰত মহাৰাজ নৰনাৰায়ণৰ ভূমিকা আলোচনা কৰা।

(e) Assess the contribution of Srimanta Sankardev towards Assamese culture and literature.

অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ শ্ৰীমন্ত শংকৰদেৱৰ অৱদানৰ মূল্যায়ন কৰা।

(f) Discuss the causes and consequences of the Battle of Saraighat.

শৰাইঘাটৰ যুদ্ধৰ কাৰণ আৰু ফলাফল বৰ্ণনা কৰা।

(g) Give an estimate of the Ahom system of administration.

আহোমৰ প্ৰশাসনিক ব্যৱস্থাৰ এটি বিৱৰণ দাঙি ধৰা।





(h) Narrate the circumstances leading to the signing of the Treaty of Yandaboo.

কেনেধৰণৰ প্ৰেক্ষাপটত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হৈছিল, আলোচনা কৰা।

★★★